# ৰিস্তা নাতা
# আৰু
# বিবাহ সম্পৰ্কে
# গুৰুত্বপূৰ্ণ হিদায়ত

ছৈয়দিনা হজৰত খলিফাতুল মছীহ
আল-খামিছ (আইঃ)ৰ ইৰশ্বাদাত

প্ৰকাশক

নজাৰত ইচলাহ ও ইৰশ্বাদ মৰকজিয়া কাদিয়ান

# ৰিস্তা নাতা আৰু বিবাহ সম্পৰ্কে গুৰুত্বপূৰ্ণ হিদায়ত

অনুবাদক
মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা
(ইনচাৰ্জ অসমীয়া ডেস্ক)

| | |
|---|---|
| **নাম কিতাপ** | ৰিস্তা নাতা আৰু বিবাহ সম্পৰ্কে গুৰুত্বপূৰ্ণ হিদায়ত |
| **অনুবাদক** | মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক) |
| **মূল কিতাপ** | ৰিস্তা নাতা ও স্বাদি বিয়া কে মুতাল্লিক জৰুৰী হিদায়ত |
| **প্ৰকাশক** | নজাৰত ইচলাহ ও ইৰশ্বাদ মৰকজিয়া কাদিয়ান |
| **প্ৰথম প্ৰকাশ** | ২০২০,কপি ১০০০ |
| **মূদ্ৰণে** | ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান,জিলা গুৰদাছপুৰ পিন ১৪৩৫১৬ (পঞ্জাৰ) |

| | |
|---|---|
| **Name Book** | Rishta Nata aru Biba Samparke Gurattapurna Hidayat |
| **Translated by** | Mozibar Rahman Muballigue silsila (Incharge Assameses Desk) |
| **Original Book** | Rishta Nata O Shadi Biyah ke muta-ailliq Zaruri Hidayat |
| **First Published** | 2020, Copies 1000 |
| **Published by** | Nazarat Islah-O-Irshad Markaziyya Qadian |
| **Printed at** | Fazle Umar Printing Press Qadian Pin 143516 (Punjab) |

## ৰিস্তা নাতা আৰু বিবাহ সম্পৰ্কে গুৰুত্বপূৰ্ণ হিদায়ত


| চিৰিয়াল | বিষয় | পৃঃ নং |
|---|---|---|
| ১ | ৰিস্তা নাতা আৰু বিবাহ সম্পৰ্কে গুৰুত্বপূৰ্ণ হিদায়ত | ৫ |
| ২ | জমাততে ৰিস্তা কৰাৰ হিদায়ত আৰু জমাতৰ বাহিৰে ৰিস্তা নকৰাৰ আদেশ | ৬ |
| ৩ | নতুন বয়াত কৰা ছোৱালী আৰু ল'ৰাসকলৰ সম্পৰ্কে হিদায়ত | ৮ |
| ৪ | কাউনছিলিং | ৯ |
| ৫ | গুৰুত্বপূৰ্ণ হিদায়ত | ১০ |
| ৬ | নিকাহ ফৰ্ম ভালদৰে চাই-চিন্তি পূৰ্ণ কৰিব | ১২ |
| ৭ | বেলেগ গুৰুত্বপূৰ্ণ মছলা, বিয়াৰ দিনতে অগ্ৰহনীয় নিয়মাৱলীৰ পৰা আঁতৰত থকা | ১২ |
| ৮ | মেন্দীৰ প্ৰথা | ১৩ |
| ৯ | বিয়াৰ দিনতে প্ৰোফেশ্বনল গায়ক সকলক আৰু নাচ-গান কৰা সকলক মাতি অনা | ১৩ |
| ১০ | কাউমিয়ত (জাতিয়তা) | ১৪ |
| ১১ | সুন্দৰতা আৰু জীৱনী | ১৪ |
| ১২ | নিমন্ত্ৰণ আৰু অপব্যয় | ১৫ |
| ১৩ | মুতাবানাৰ সম্পৰ্কে ইৰশাদাত | ১৬ |
| ১৮ | বিধৱা সকলকৰ নিকাহ | ১৭ |




,

# ভূমিকা

আমাৰ ওপৰত আল্লাহ্ তা'লাৰ অসীম কৃপা যে তেওঁ আমাক হজৰত মছীহ্ মাওউদ (আঃ)ক চিনি পোৱাৰ আৰু আপোনাৰ ওপৰত বিশ্বাস অনাৰ তৌফিক প্ৰদান কৰিছে,আৰু তেখেত (আঃ) য়ে আমাক বহু প্ৰথা (অগ্ৰহনীয় নিয়ম নীতি )ৰ পৰা আঁতৰত ৰাখিছে য'ত আজিৰ পৃথিৱীবাসী আৱদ্ধ হৈ পৰিছে।

হজৰত মছীহ মাওউদ (আঃ)ৰ পিছত তেখেত (আঃ)ৰ খলিফা সকলৰ দ্বাৰা জমাতৰ সদস্যবৃন্দসকল সঠিক পথ অৱলম্বন কৰি আছে আৰু বৰ্তমান তেখেত (আঃ)ৰ পঞ্চম খলিফা হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব (আইঃ)ৰ শিক্ষা আৰু নিৰীক্ষণৰ ফলত জমাতৰ পথ-প্ৰদৰ্শন হৈ আছে।

ইছলামী শিক্ষা অনুযায়ী পৱিত্ৰ আৰু শান্তিময় জীৱন অতিবাহিত কৰাৰ বাবে আৰু পুণ্যবান আৰু পৱিত্ৰ বংশধৰৰ কাৰণে বিয়া বাধ্যতামূলক কৰি দিছে। সাধাৰণ জীৱন-যাপনত পুৰুষ সকলৰ কাৰণে জৰুৰী যে তেওঁ ওপৰত উল্লেখিত বাক্য অনুযায়ী নিজৰ ফৰজ যেন আদায় কৰে। সাধাৰণতে বিয়া-বাৰু সমস্যাটো অতি সূক্ষ্ম বিষয় হয়,আৰু চৰিয়তৰ নিয়ম লঙ্ঘন কৰাত বহু সমস্যাৱলীৰ সৃষ্টি হয়; যাৰ কাৰণে সাধাৰণ জীৱন-যাপনত সুখ-শান্তি বিনষ্ট হৈ যায়। যাৰ অসংখ্য সমস্যা আজি পৰিৱেশত দেখিবলৈ পোৱা যায়। যদি সেই বিলাকৰ সঠিক পদ্ধতি অৱলম্বন কৰা হয় তেতিয়া আনন্দ আৰু শান্তি দ্বিতীয়বাৰ আকৌ ঘূৰি আহিব।

অৰ্থাৎ জমাত আহমদীয়াৰ ওপৰত আল্লাহ্ তা'লাৰ বহুত ডাঙৰ অনুগ্ৰহ যে তেওঁ আমাক যুগৰ খলিফাৰ দ্বাৰা সঠিক পথ অৱলম্বন কৰাৰ সুযোগ প্ৰদান কৰিছে; যাতে আমি তেখেত (আইঃ)ৰ হিদায়ত মতে কৰ্ম কৰি এখন শান্তিময় পৰিৱেশ গঢ়ি তুলিব পাৰো ।

**তলত দিয়া কিতাপৰ দৃষ্টিপাত,**

**ৰিস্তা আৰু বিবাহ সম্পৰ্কে গুৰুত্বপূৰ্ণ হিদায়ত**

হজৰত মছীহ মাওউদ (আঃ) আৰু হুজুৰৰ পৰিপূৰ্ণ কিছুমান হিদায়ত উপস্থাপন কৰা হ'ল যাতে ইয়াৰ ওপৰত কৰ্ম কৰি আমি সাধাৰণ জীৱন-যাপন আনন্দময় বনাব পাৰো। আল্লাহ তা'লা আমাক ইয়াৰ তৌফিক দান কৰক (আমিন)

**নাজিৰ ইচলাহ ইৰশ্বাদ মৰকজিয়া**

**ৰিস্তা আৰু বিবাহ সম্বন্ধে গুৰুত্বপূৰ্ণ হিদায়তঃ**

আল্লাহ তা'লা কোৰাণ মজিদত কৈছে ঃ

يَٰٓأَيُّهَا ٱلَّذِينَ ءَامَنُوا۟ ٱتَّقُوا۟ ٱللَّهَ وَقُولُوا۟ قَوْلًا سَدِيدًا ﴿٧١﴾ (33:71)

অৰ্থঃ- হে বিশ্বাসীসকল! আল্লাহলৈ ভয় কৰা,আৰু তোমালোকে সঠিক কথা কবা।( চুৰা আল-ইহজাব আয়াত ৭১)

يَٰٓأَيُّهَا ٱلَّذِينَ ءَامَنُوا۟ ٱتَّقُوا۟ ٱللَّهَ وَلْتَنظُرْ
نَفْسٌ مَّا قَدَّمَتْ لِغَدٍ ۖ وَٱتَّقُوا۟ ٱللَّهَ ۚ
إِنَّ ٱللَّهَ خَبِيرٌۢ بِمَا تَعْمَلُونَ ﴿١٩﴾ (59:19)

অৰ্থঃ- হে বিশ্বাসীসকল!তোমালোকে আল্লাহলৈ ভয় কৰা,আৰু প্ৰত্যেক আত্মা (নফছ) ভৱিষ্যতৰ কাৰণে কি পঠিয়াইছে লক্ষ্য ৰাখিবলৈ দিয়া; আৰু আল্লাহলৈ ভয় কৰা, বাস্তৱতে তোমালোকে কি কৰা আল্লাহ ভালদৰে জানে।(চুৰা আল হাশ্বৰ আয়াত ১৯)

প্ৰিয় আকা,হজৰত মহম্মদ (ছাঃ)য়ে কৈছেঃ

স্ত্ৰী নিৰ্বাচনৰ সময়ত বিশেষকৈ চাৰিটা কথাৰ ফালে লক্ষ্য ৰাখিব লাগে, কিছুমানে কোনো মহিলাৰ ধন-সম্পত্তিৰ কাৰণে তাইৰ লগত বিয়া পাতিব খোজে, আৰু কিছুমানে মহিলাৰ বংশৰ কাৰণে বিয়া পাতিব খোজে,আৰু কিছুমানে মহিলাৰ সুন্দৰতা চাই বিয়া পাতিব খোজে,আৰু কিছুমানে মহিলাৰ দ্বীন আৰু উত্তম চৰিত্ৰৰ কাৰণে বিয়া পাতিব খোজে। হে মুছলমান পুৰুষ ! তুমি দ্বীনদাৰ আৰু উত্তম চৰিত্ৰ ,নম্ৰতা জীৱন বাছি নিজৰ জীৱন সফল কৰাৰ চেষ্টা কৰা; নহলে তোমাৰ হাত সদায় দুঃষিত হৈ থাকিব।(বুখাৰী কিতাব আন নিকাহ বাব আল-আকফায়ু ফি দ্বীন) বৰ্তমান যুগতে আল্লাহ তা'লা হজৰত মছীহ মাওউদ (আঃ)ক ধৰ্মক সঞ্জীবিত কৰাৰ কাৰণে আৰু চৰিয়ত প্ৰতিষ্ঠিত কৰাৰ কাৰণে প্ৰেৰণ কৰিছে। তেখেত (আঃ)য়ে ৰিস্তা সম্পৰ্কে যিবিলাক হিদায়ত প্ৰদান কৰিছে আৰু চলি থকা সময়ত খলিফা সকলৰ ফালৰ পৰা যি হিদায়তসমূহ প্ৰদান কৰি আছে সেয়া আমাৰ কাৰণে হিদায়তৰ শিপা হয়। অৰ্থাৎ যদি আমি আহমদী পৰিৱেশ জান্নাতময় বনাব খোজো তেতিয়া আমাৰ কৰ্তব্য হয় যে আমি যেন এই জৰুৰী আদেশ আৰু হিদায়তৰ ওপৰত আমল (কৰ্ম) কৰো।

**জমাততে ৰিস্তা কৰাৰ হিদায়ত আৰু বেলেগৰ সৈতে (জমাতৰ বাহিৰে) ৰিস্তা নকৰাৰ নিৰ্দেশ ঃ**

জমাতৰ সদস্যবৃন্দ সকলৰ সদায় এয়া চেষ্টা হোৱা উচিত যে, ল'ৰা আৰু ছোৱালী সকলৰ ৰিস্তা যেন আহমদী সদস্যৰ সৈতেই হয়। এই বিষয়ে হজৰত মছীহ মাওউদ (আঃ)য়ে ১৮৯৮ চনত এখন বিজ্ঞাপন জাৰি কৰে আৰু জমাতক উপদেশ দিয়ে যে আহমদী ছোৱালীৰ বিয়া অআহমদীৰ লগত যেন নহয়।এজন চাহাবীয়ে নিজৰ ছোৱালীৰ ৰিস্তা নিজৰে এজন অআহমদীৰ লগত কৰাৰ অনুমতি খোজে,তেতিয়া তেখেত (আঃ) বিৰাট খং প্ৰকাশ কৰি কয় যে, এই কাম আমাৰ পদ্ধতিৰ বিৰোধ হয় যে আপুনি নিজৰ ছোৱালীৰ বিয়া এনে এজন ব্যক্তিৰ সৈতে কৰাব খোজে, যিয়ে জমাতত অন্তৰ্ভুক্ত নহয়,গুনাহ (পাপ) হয়।

আকৌ কয়: এয়া আপোনাৰ কাৰণে পৰীক্ষাৰ সময় হয়। ধৰ্মক পৃথিৱীৰ ওপৰত প্ৰাধান্য দিয়া উচিত: চাহাবা জনে দেউতা আৰু ল'ৰা সকলক ধৰ্মৰ খাতিৰে হত্যা কৰি দিছিল,আৰু কৈছিল কিয় তুমি ধৰ্মৰ কাৰণে এজন ভনীক দুঃখিত কৰিব নোৱাৰা ... অৰ্থাৎ এয়াই শেষ আদেশ যে, যিজন ল'ৰা আহমদী নহয় তেওঁক ছোৱালী দিয়া পাপ হয়। (মকতুবাত হজৰত মছীহ মাওউদ (আঃ) বনাম ফজলুৰ ৰহমান চাহাব আজ কাদিয়ান ১৭.০৪.১৯০৭)

হজৰত মছীহ মাওউদ (আঃ) য়ে কৈছে, যিসকলে বিৰোধী মৌলৱী সকলৰ ছত্ৰ -ছাঁৰ তলত পৰি পক্ষপাত, কৃপণতা আৰু বিৰোধীতাৰ শীৰ্ষ স্থান পাইছেগৈ সিহঁতৰ লগত আমাৰ জমাতৰ নতুন ৰিস্তা কৰা অসম্ভৱ হৈ গৈছে যেতিয়ালৈকে তেওঁ তৌবা কৰি জমাতত অন্তৰ্ভুক্ত নহয়। আৰু এতিয়া এই জমাত কোনো কথাত এইটোৰ মুহতাজ (নিৰ্ভৰশীল) নহয়; ধন সম্পত্তিৰ বিষয়ে, শিক্ষাৰ বিষয়ে, কৃপাৰ বিষয়ে,বংশধৰৰ বিষয়ে, পৰহেজগাৰীৰ বিষয়ে, খোদা প্ৰেমিকত অগ্ৰগতি ৰখা, এই জমাতত বহুত আছে আৰু ইছলামৰ মাজত থকা প্ৰত্যেক সম্প্ৰদায়ৰ মানুহ এই জমাতত পোৱা যায়।অৰ্থাৎ এনে পৰিস্থিতিত কোনো দৰকাৰ নাই যে এনেকুৱা লোকৰ লগত আমাৰ জমাত নতুন সম্পৰ্ক গঢ়ি তোলে, যিসকলে আমাক কাফিৰ কয়, মোৰ নাম দাজ্জাল ৰাখে,বা নিজে নহয়, কিন্তু এনেকুৱা মানুহৰ অনুসৰণত থাকে।

মনত ৰাখক! যিসকল মানুহে এনেকুৱা লোকক এৰিব নোৱাৰে তেওঁ আমাৰ জমাতত অন্তৰ্ভুক্ত হোৱাৰ যোগ্য নহয়। যেতিয়ালৈকে পৱিত্ৰতা আৰু সত্যতাৰ কাৰণে এক ভাই আনজন ভায়েকক নেৰিব আৰু এজন দেউতা ল'ৰাৰ পৰা পৃথক নহ'ব তেতিয়ালৈ সি

আমাৰ মাজৰ নহয়।

মজমুৰা ইশ্বতেহাৰ জিলদ ৩ পৃঃ ৫০ মতবুৰা লণ্ডন)

হজৰত খলিফাতুল মছীহ আল খামিছ (আইঃ) য়ে কয় যে,

এয়া জমাত আহমদীয়াত নিশ্চিত ভাৱে দেখা হ'ব যে ছোৱালী য'ত ৰিস্তা কৰিব,বা য'ত ৰিস্তা কৰাৰ ইচ্ছুক থাকে সেই ল'ৰা যেন আহমদী হয়। কাৰণ এই সকলোবোৰ কথাৰ উদ্দেশ্য পৱিত্ৰ পৰিৱেশ সৃষ্টি কৰা; পুণ্য প্ৰতিষ্ঠিত কৰা আৰু পুণ্য ল'ৰা-ছোৱালী সৃষ্টি কৰা যদি আহমদী ল'ৰা আহমদী ছোৱালীক এৰি আৰু আহমদী ছোৱালীসকল আহমদী ল'ৰাক এৰি অআহমদী ল'ৰাৰ সৈতে বিয়া পাতে তেতিয়া পৰিৱেশত, বংশৰ মাজত ফাছাদ (বিবাদ)সৃষ্টি হোৱাৰ ভয় থাকে। নতুন প্ৰজন্মই ধৰ্মৰ পৰা আঁতৰ হোৱাৰ ভয় থাকে এই কাৰণে ধৰ্মৰ ফালে গুৰুত্ব দিয়া এনেকুৱা দৰকাৰ যেনেকুৱা পৃথিৱীৰ ফালে।আমাৰ কিছুমান ল'ৰা আৰু ছোৱালীসকলৰ প্ৰৱণতা হয় যে অআহমদীৰ লগত ৰিস্তা কৰা। এইফালে মনোযোগ আকৰ্ষণ কৰা অতি প্ৰয়োজন,বিশেষ কৰি স্বাধীন পৰিৱেশত। ব্যৱস্থাপনাৰো চিন্তা-ভাৱনা বেছি হৈছে কাৰণ এনেকুৱা সমস্যা আজি বহুত পৰিমাণে হ'ব ধৰিছে যে নিজৰ ইচ্ছামতে অআহমদীসকলৰ লগত বিয়া পাতিব ধৰিছে।( খুতবা জুমা ২৪ ডিচেম্বৰ ২০০৪, বাহাৱালা খুতবাতে মছৰুৰ জিলদ ২ পৃঃ ৯৩১)

বিয়া পতা এটা সুন্দৰ কাম। আল্লাহ তা'লাই এই বিষয়ে এই ফালে মনোযোগ আকৰ্ষণ কৰিছে আৰু হজৰত মহম্মদ (ছাঃ)য়েও এই ফালে মনোযোগ আকৰ্ষণ কৰিছে অৰ্থাৎ আল্লাহ তা'লা বিধৱাসকলক এক ধৰণৰ আদেশ দিছে যে তাই যেন বিয়া পাতে আৰু তাইৰ ওচৰ-চুবুৰীয়া যেন তাতে কোনো বাধা নিদিয়ে; হজৰত মহম্মদ (ছাঃ)য়ে নিজৰ চাহাবা (ৰাঃ)ক বিয়াৰ বিষয়ে পদক্ষেপ লৈছে ;ৰিস্তাৰ প্ৰস্তাৱ দিছে,এয়াই যি সুন্দৰ কাম হয় কেতিয়াবা কিবা পৰিস্থিতিত কিছুমান আহমদী বংশধৰৰ কাৰণে পৰীক্ষাৰ সন্মুখীন হ'ব লগা হয় তাতে নিজামে জমাতৰ কোনো ভুল নহয়। কিন্তু কিছুমানে নিজামে জমাতক দোষাৰোপ কৰে আৰু এইটো সেই সময় হয় যেতিয়া এজন ব্যক্তিয়ে নিজৰ ইচ্ছামতে কোনো অআহমদী ছোৱালী বা মহিলাৰ সৈতে বিয়া পাতে এই ভয়তে যে নিজামে জমাত বেয়া পাব বা মোক অনুমতি নিদিব বা কেতিয়াবা অআহমদী ছোৱালীসকলৰ ফালৰ পৰা এই চৰ্ত ৰাখি দিয়া হয় যে নিকা অআহমদী মৌলৱীয়ে পঢ়াব,এনে পৰিস্থিতিত অআহমদীৰ দ্বাৰা নিকা পঢ়ায় আৰু এনেকুৱা ভুলত আৱদ্ধ হৈ যায় যাৰ ফলত হজৰত মছীহ মাওউদ (আঃ)ৰ বয়াতৰ পৰা ওলাই দিয়া হয়। কাৰণ

নিকা পঢ়োৱা জন এনেকুৱা ব্যক্তি হয় যিজনে হজৰত মছীহ মাওউদ (আঃ)ক মিছলীয়া বুলি কয়। তেখেত (আঃ)ক কাফিৰ বুলি কয়। এনে পৰিস্থিতিত আহমদী ল'ৰা বা তাৰ বংশধৰ যিসকলে এই বিয়াত সিহঁতৰ সহকাৰী হৈ এয়া ঘোষণা কৰে যে মই হজৰত মছীহ মাওউদ (আঃ)ৰ বয়াতৰ পৰা ওলাই মৌলৱীৰ দ্বাৰা নিকা পঢ়োৱাই (নাউজুবিল্লাহ) হজৰত মছীহ মাওউদ (আঃ)ক কাফিৰ আৰু মিছলীয়া ঘোষণা কৰো।

অৰ্থাৎ প্ৰত্যেক আহমদীয়ে সদায় এই অঙ্গীকাৰৰ প্ৰতি লক্ষ্য ৰখা উচিত যে ধৰ্মক দুনিয়াৰ ওপৰত প্ৰাধান্য দিম। যেতিয়া এই অনুতাপ হ'ব যে মোৰ কোনো কাৰ্য্যৰ দ্বাৰা ধৰ্মৰ ওপৰত কোনো প্ৰভাৱ নপৰে যেন,এনে পৰিস্থিতিত দুনিয়াদাৰী সকলৰ পৰা এজন সত্যবাদী আহমদীক আৱদ্ধ কৰি দিব লাগে। যদি প্ৰত্যেক আহমদীয়ে এয়া চিনি লয় আৰু তাৰ ওপৰত আমল কৰা আৰম্ভ কৰে তেতিয়া নিশ্চিত ভাৱে খোদা তা'লাৰ সন্তুষ্টি অৰ্জন কৰিব পাৰিব। সেই যুগৰ ইব্ৰাহিমৰ লগত সত্যিকাৰ অৰ্থে সম্পৰ্ক প্ৰতিষ্ঠিত কৰিব পাৰিব সঠিক অনুসৰণকাৰী হ'ব পাৰিব আৰু মই এয়াও কওঁ কাৰণ, যেতিয়া শাস্তিৰ সমস্যাৱলী মোৰ ওচৰত আহে,তেতিয়া নিয়মীয়া কথা তেওঁক শাস্তি দিব লাগে।কিন্তু মই যেতিয়া কোনোবাক শাস্তি দিওঁ তেতিয়া মই কষ্ট পাওঁ( খুতবা জুমা ৪ জুলাই ২০০৮, বাহাৱালা খুতবাতে মছৰুৰ জিলদ ৬ পৃঃ ২৬৭)

ইয়াৰ কাৰণ হ'ল যে হজৰত মছীহ মাওউদ (আঃ) আৰু খলিফাসকলে সদায় ৰিস্তাৰ বিষয়ে ধৰ্মক প্ৰাধান্য দিয়াৰ হিদায়ত কৰিছে ।এয়া সত্য যে নিৰুপায় অৱস্থাত খলিফাৰ অনুমতি মৰ্মে অআহমদী ছোৱালীৰ লগত ৰিস্তা কৰিব পৰা যায়, আৰু নিকা পঢ়োৱা জন আহমদী হলে এই ৰিস্তা হৈ যায়। কিন্তু এনেকুৱা ৰিস্তাত ল'ৰা-ছোৱালীয়ে সঠিক প্ৰশিক্ষণ নাপায়। যথা সম্ভৱ; অআহমদী বা অমুছলিম ল'ৰাৰ সম্বন্ধে নিকা হজৰত মছীহ মাওউদ (আঃ)য়ে প্ৰকাশ্য ভাৱে নিষেধ কৰিছে। অৰ্থাৎ যদি কোনো আহমদী ছোৱালীয়ে বা মা-দেউতা এনেকুৱা কৰে তেতিয়া তেওঁ শাস্তিৰ সন্মুখীন হয়।

## নতুন বয়াত কৰা ছোৱালী আৰু ল'ৰা সকলৰ সম্পৰ্কে হিদায়তঃ

যদি কোনো ল'ৰা জমাতত অন্তৰ্ভুক্ত হয় তেওঁৰ কাৰণে নিম্নতম সময় এবছৰ নিৰ্ধাৰিত কৰা হৈছে যাতে তেওঁৰ পৰীক্ষা হৈ যায়।

**ইৰশ্বাদ হুজুৰ আনোৱাৰ (আইঃ)ঃ**

যেতিয়া কোনো ছোৱালী বয়াত কৰি জমাতত অন্তৰ্ভুক্ত হয় আৰু তাইৰ বিয়া কোনো আহমদী ল'ৰাৰ সৈতে হোৱাৰ আলোচনা হয় তেতিয়া তাইৰ কাৰণে কোনো নিৰ্দিষ্ট

সময় নিৰ্ধাৰিত কৰা হোৱা নাই। এনেকুৱা প্ৰত্যেক সোধ-পোচ সম্পৰ্কিত ছদৰ / আমিৰ জমাত /ইনচাৰ্জ ৰিস্তা নাতা / আৰু সম্পৰ্কিত নাজিৰ ইচলাহ ইৰশ্বাদ /নাজিম ইৰশ্বাদ ওৱাকফে জাদিদৰ ৰিপোৰ্ট আৰু মধ্যস্থতা লগতে পথ-প্ৰদৰ্শনৰ কাৰণে ইয়াত প্ৰেৰণ কৰিব লাগিব।অৰ্থাৎ এই ধৰণৰ সকলো সোধ-পোচ নিকাৰ অনুমতি দিয়া নিদিয়া খলিফাৰ ওপৰত নিৰ্ভৰশীল।(wtt-৫২৬৬/১৮.০৯.১৭)

হুজুৰ আনোৱাৰ (আইঃ) য়ে ৰিস্তা নাতা কমিটি কেনেডাৰ সৈতে মিটিংৰ সময়ত কৈছেঃ

কোনো আহমদী ছোৱালীয়ে জমাতৰ বাহিৰে কোনো অআহমদী বা অমুছলিমৰ লগত বিয়া কৰাৰ অনুমতি নাই।

আকৌ কয়,যিয়ে জমাতৰ বাহিৰে বিয়া কৰে তেওঁক জমাতৰ পৰা এই কাৰণে ওলাই দিয়া হয় যে তেওঁ নিজৰ বিয়া কোনো অআহমদী মৌলৱী বা কাজিৰ দ্বাৰা পঢ়োৱাইছে। যি জন ব্যক্তিয়ে অআহমদী ছোৱালীৰ লগত বিয়া অনুমতিৰ সৈতে কৰে আৰু তাৰ নিকা কোনো আহমদীয়ে পঢ়োৱায় তেতিয়া বিশেষ কোনো পৰিস্থিতিত তেওঁক অনুমতি দিয়া হয়। (আলফজল ইণ্টাৰ নেশ্বনাল ২৮ চেপ্তেমবৰ ২০১২, ৪ অক্টোবৰ ২০১২)

## কাউনছিলিং

হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ইৰশ্বাদাত,ৰিস্তা কৰাৰ পূৰ্বে ছোৱালী আৰু ল'ৰা আৰু সিহঁতৰ মা-দেউতাৰ কাউনছিলিং হোৱা অত্যাৰশ্যকীয়। হজুৰ আনোৱাৰ (আইঃ)য়ে ৰিস্তা নাতা কমিটি কেনেডাৰ লগত মিটিংৰ সময়ত কৈছে; মা-দেউতাৰ কাউনছিলিং অতি আৰশ্যকীয়, মা-দেউতাকক বেলেগকৈ মাতি সিহঁতৰ কাউনছিলিং কৰক। হজুৰ (আইঃ)য়ে কৈছে, কিছুমান মা লিখা-পঢ়া হয় আৰু কিছুমান অশিক্ষিত হয়, গতিকে উভয়ৰ চিন্তা-ভাৱনা বেলেগ বেলেগ হয়। সিহঁতৰ চিন্তা-ভাৱনা অনুযায়ী সিহঁতৰ কাউনছিলিং হোৱা উচিত।

কাউনছিলিংৰ সময়ত এই কথা উল্লেখ কৰিব যে বিয়াৰ উদ্দেশ্য কি ? এই সম্পৰ্কে ধৰ্মীয় শিক্ষা কি আৰু চিন্তা-ভাৱনা কি ? এয়াও যেন কয় যে তুমি ক'ৰ পৰা আহিছা, কেনে বংশৰ লগত তোমাৰ সম্পৰ্ক। তোমাৰ ডাঙৰ সকলে কি কুৰবানী দিছে আৰু আল্লাহ তা'লা কেনে ধৰণৰ ফজল বৰ্ষিত কৰিছে। এতিয়া দুনিয়াৰ ফালে নাযাবা,আল্লাহ তা'লাৰ ফজল আৰু কৃতজ্ঞতা এয়ে হ'ব লাগে যে ধৰ্মৰ লগত থাকা আৰু নিজৰ বংশধৰৰ নেকী (পুণ্য)আৰু তাকৱাৰ ওপৰত প্ৰতিষ্ঠিত থাকা। ছৈয়দিনা

হজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে, প্ৰকৃত বস্তু নেকী, তাকৰা হয়, আৰু এয়া হোৱা উচিত।
কাউনছিলিং সম্বন্ধে ছৈয়দিনা হজুৰ আনোৱাৰ (আইঃ)ৰ হিদায়ত মৰ্মে কিতাপ ছপোৱা হৈছে, আৰু এইটো বিভিন্ন ভাষাত অনুবাদ হৈছে। নজাৰত ইচলাহ ইৰশ্বাদ মৰকজীয়াৰ পৰা এই কিতাপ সংগ্ৰহ কৰিব পাৰিব।

## গুৰুত্বপূৰ্ণ হিদায়ত

**নিকা ফৰ্ম পৰিপূৰ্ণ কৰা সময়ত এই ইৰশ্বাদাতৰ ওপৰত আমল (কাৰ্যকৰী) কৰা আৱশ্যকীয়ঃ**

■ ল'ৰাৰ **অলি** তাৰ মূল দেউতা হয়। **অলিৰ** চহী নিকা ফৰ্মত হোৱা আৱশ্যকীয়।

■ যদি দেউতা মৃত্যুবৰণ কৰিছে,এনে পৰিস্থিতিত তাইৰ দাদা, নিজৰ ভাই, সতিনী ভাই, খুৰা,ওচৰীয়া (দাদাৰ লগত সম্পৰ্কিত ৰিস্তেদাৰ)যুৱক, মহিলাৰ **অলি** হ'ব পাৰে। কিন্তু যদি দাদাৰ লগত সম্পৰ্কিত কোনো ৰিস্তেদাৰ উপস্থিত নাথাকে বা ছোৱালী কিবা কাৰণত সিহঁতৰ পৰা **অলি** বনাব নোখোজে,তেতিয়া এনেকুৱা আপত্তি মৰকজত অহা উচিত আৰু হজুৰ আনোৱাৰ (আইঃ)ৰ অনুমতি মৰ্মে **অলি** নিৰ্ধাৰিত হ'ব পাৰে।ৱিলায়ত (বিদেশী) সম্পৰ্কে যি কোনো সমস্যা আহে তাৰ সমাধা হজৰত খলিফাতুল মছীহ (আইঃ)ৰ নিৰ্দেশ মৰ্মেই হ'ব। তাৰ কাৰণে ছোৱালীৰ ফালৰ পৰা দৰখস্ত নজাৰত ইচলাহ ইৰশ্বাদত ছদৰ /আমিৰৰ মাধ্যম দি আহিব। বিনা অনুমতিত বেলেগক যাতে **অলি** নিৰ্ধাৰিত নকৰে।

আমিৰসকল / ছদৰ সকল / মুবাল্লিগ আৰু মুৱাল্লিম সকলৰ দায়িত্ব যে ৰিস্তা কৰা সময়ত এই কথাৰ জায়জা ল'ব যে যিজন ব্যক্তিয়ে ৱিলায়তৰ হক আদায় কৰি আছে চৰিয়ত অনুযায়ী ৱিলায়তৰ (বিদেশীৰ)হক আদায় কৰি আছেনে ?

■ নিকাৰ সময়ত যদি **অলি** উপস্থিত থাকিব নোৱাৰে তেতিয়া তাই নিজৰ ফালৰ পৰা কোনোবাক অকিল নিৰ্ধাৰিত কৰিব পাৰে কিন্তু নিকা ফৰ্মত **অলি** চহী কৰা ঠাইত **অলিৰহে** চহী কৰোৱাব লাগিব আৰু অকালতৰ খানা বেলেগকৈ পূৰ্ণ কৰিব লাগিব।

■ কিবা কাৰণত যদি ল'ৰা নিকাৰ সময়ত উপস্থিত থাকিব নোৱাৰে তেতিয়াও তেওঁ নিজৰ ফালৰ পৰা কোনোবাক **অলি** নিৰ্ধাৰিত কৰিব পাৰে।তেওঁৰ কাৰণেও অকালতৰ খানা পূৰ্ণ কৰিব লাগিব।

■ ভাৰতবৰ্ষৰ নিয়ম অনুযায়ী বিয়াৰ কাৰণে ল'ৰাৰ বয়স ২১ বছৰ আৰু ছোৱালীৰ

বয়স ১৮ বছৰ হোৱা দৰকাৰ।

■ হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে মোহৰানা সম্পৰ্কে কৈছে যে, মই মোহৰানা ছয় মাহ বা এবছৰৰ উপাৰ্জন নিৰ্ধাৰিত কৰিছোঁ।যদি কোনোবা মোৰ ওচৰত কোনো পৰামৰ্শ খোজে তেতিয়া মই এই পৰামৰ্শ দিওঁ যে নিজৰ ছয় মাহৰ বা এবছৰৰ উপাৰ্জনাৰ পৰা মোহৰানা নিৰ্ধাৰিত কৰি দিয়া।(আল ফজল ১২ ডিচেম্বৰ ১৯৪০)

■ প্ৰকাশ্য যেন হয় যে মোহৰানা আদায় কৰা স্বামীৰ কৰ্তব্য, যাৰ ওপৰত স্ত্ৰীৰ পৰিপূৰ্ণ ভাৱে অধিকাৰ আছে

■ ল'ৰা আৰু ছোৱালী যিয়ে যি জমাতৰ লগত সংলগ্ন সেই জমাতৰ ছদৰ /আমিৰ, আহমদী হোৱা বুলি চহীৰ সৈতে ষ্টাম্প(মোহৰ) লগাব লাগিব।

■ ল'ৰা আৰু ছোৱালী যদি বিদেশী হয় তেতিয়া নিকা ফৰ্মত নেশ্বনেল ছদৰ বা নেশ্বনেল আমিৰৰ সাক্ষ্যৰ সৈতে চহী আৰু ষ্টাম্প লগাব লাগিব, আৰু ওকালত তামিল ও তনফিজৰ অনুমতিৰ পিছতহে মৰকজ কাদিয়ান বা ভাৰতবৰ্ষৰ কোনো জমাতত নিকা ঘোষণা কৰাৰ অনুমতি হ'ব, আৰু তাৰ কাৰণে কাদিয়ানৰ পৰা ছপোৱা ফৰ্ম ব্যৱহাৰ কৰা আৱশ্যকীয়, আৰু সাক্ষ্য হোৱা নিকা ফৰ্মৰ পৰিপূৰ্ণতা নিকা ঘোষণা কৰাৰ দুই সপ্তাহ পূৰ্বতে হোৱা উচিত। নিকা ঘোষণাৰ কাৰণে আচল নিকা ফৰ্ম (দফতৰলৈ) প্ৰেৰণ কৰা জৰুৰী। ফটো কপি কৰা নিকা ফৰ্মৰ ওপৰত নজাৰত ইচলাহ ইৰশ্বাদৰ ফালৰ পৰা কোনো গুৰুত্ব দিয়া নহয়।

■ ল'ৰাৰ যদি দ্বিতীয় নিকা হয়,তেতিয়া নিকা ফৰ্মৰ লগত তালাক বা মহিলা নিজৰ স্বামীৰ পৰা মুকলি হোৱা চিঠি লগোৱা আৱশ্যকীয়।

■নিকা ঘোষণা হোৱাৰ এমাহ পিছত নিকা ফৰ্ম ৰেজিষ্ট্ৰাৰৰ কাৰণে মৰকজলৈ প্ৰেৰণ কৰিব লাগিব।। নিকা ফৰ্ম ৰেজিষ্ট্ৰাৰ হোৱাৰ পিছত এখন ফৰ্ম ল'ৰাক আৰু এখন ফৰ্ম ছোৱালীৰ **অলি**লৈ প্ৰেৰণ কৰা হ'ব আৰু এখন ফৰ্ম অফিচত ৰিকাৰ্ড হিচাপে ৰখা হয়।

■কেতিয়াবা কিছুমান ব্যক্তিৰ চৰকাৰী সংগঠনত নিজৰ বিয়াৰ বা তালাকৰ বা খুলাৰ (স্বামীৰ পৰা মুকলি হোৱাৰ)প্ৰমাণ পত্ৰ খোজে এই কাৰণে খোৱা ৰিস্তা নাতাৰ ফালৰ পৰা মেৰিজ ছাৰ্টিফিকেট বা তালাকৰ চিঠি ইংৰাজীত জাৰি কৰা হয়।

■ জিলাৰ জমাতত আল্লাহৰ কৃপাত ছেক্ৰেটাৰী ৰিস্তা নাতা প্ৰতিষ্ঠিত আছে।( যদি কোনো জমাতত ছেক্ৰেটাৰী ৰিস্তা নাতা নাই তেতিয়া জিলাৰ আমিৰ চাহাবে কোনো ব্যক্তিৰ নাম নিৰ্বাচিত কৰি মঞ্জুৰী লৈ ল'ব)।

■ জিলাৰ ছেক্ৰেটাৰী ৰিস্তা নাতাৰ ফৰজ হয় যে তেওঁ নিজৰ জিলাৰ জমাতত যুৱক

ল'ৰা ছাৱালীৰ Bio-data মৰকজৰ ফালৰ পৰা পঠোৱা ফৰ্ম পূৰ্ণ কৰি মৰকজলৈ প্ৰেৰণ কৰিব, আৰু জমাতত ৰিস্তা নাতাৰ সমস্যা সম্বন্ধে মৰকজৰ হিদায়ত মৰ্মে জমাতৰ সদস্য সকলৰ উপকাৰ আৰু নেতৃত্ব কৰিব।

ৰিস্তা কৰোৱা সম্পৰ্কে ছৈয়দিনা হজুৰ আনোৱাৰ (আইঃ)ৰ ইৰশ্বাদ: পদবীদাৰীসকল আৰু মুৰব্বীসকল পৰস্পৰে সহায় কৰিব লাগে যদি উভয় দল আহমদী হয় আৰু মুবাল্লিগ ৰিস্তা কৰোৱায় তেতিয়া কোনো পৰীক্ষা-নিৰীক্ষা কৰাৰ দৰকাৰ নপৰে,আৰু যদি আহমদী নহয় বা নতুন আহমদী হয় তেতিয়া ছেক্রেটাৰী ইচলাহ ইৰশ্বাদ আৰু আমিৰ জমাতৰ অনুমোদন হোৱাৰ পিছত বিয়া হ'ব বা নিকা হ'ব । wtt-৫৩/০৪-১১-২০১৫ )

**নিকা ফৰ্ম সাৱধানতাৰে পূৰ্ণ কৰিব**

■ হিদায়তৰ সেই ফৰ্ম যিখন নিকা ফৰ্মৰ লগত লগোৱা হয়,সেইটো নিকা ফৰ্ম পৰিপূৰ্ণ কৰাৰ আগতে ভালদৰে পঢ়ি ল'ব আৰু তাতে লিখা হোৱা হিদায়ত মৰ্মে নিকা ফৰ্ম পূৰ্ণ কৰিব।

ল'ৰা আৰু ছোৱালীৰ নাম লিখোতে গোটেইবিলাক নিয়মাৱলী(নাম /দেউতাৰ নাম / জন্ম তাৰিখ /বয়স ইত্যাদি জন্ম ছাৰ্টিফিকেট মতে লিখিব।বিশেষ কৰি নাম শুদ্ধ কৰি লিখিব।

নিম্ন লিখিত নিয়মাৱলী আধাৰ কাৰ্ড, ছাৰ্টিফিকেট মতে হ'ব লাগিব।

জন্ম তাৰিখ লিখাৰ সময়ত চৰকাৰী কাগজৰ প্ৰতি লক্ষ্য ৰাখিব আৰু সেই মতে নিকা ফৰ্মত জন্ম তাৰিখ লিখিব।

লিখা পৰিস্কাৰ আৰু সুন্দৰ যেন হয়। ক'লা চিয়াহী ব্যৱহাৰ কৰিব।কটা-কাটি নকৰিব। কাৰেক্সন কৰাৰ সময়ত কলমৰ দ্বাৰা লিখাখিনি মুচি দিয়াৰ কাৰণে এনেকুৱা বস্তু ব্যৱহাৰ কৰিব যাতে সন্দেহ কৰা নহয়। যদি কেতিয়াবা এনেকুৱা সমস্যাৰ সন্মুখীন হ'ব লগা হয় তেতিয়া নিকা ফৰ্ম দ্বিতীয় বাৰ পূৰ্ণ কৰাটোৱে উত্তম কাম হ'ব।

**বেলেগ গুৰুত্বপূৰ্ণ কাম**

**বিয়া-বাৰুৰ সময়ত অযথা প্ৰথাৰ পৰা আঁতৰত :**

আজি কালি অআহমদী আৰু অমুছলিমৰ বিয়াৰ সময়ত অসংখ্য অযথা প্ৰথা দেখিবলৈ পোৱা যায় আৰু গোটেই পৰিৱেশ তাতে বেয়া ভাৱে আৱদ্ধ হৈ যায়। বেছিভাগ অআহমদীসকলে এই প্ৰথা মতে চলে যি সত্যিকাৰ অৰ্থে ইছলামী শিক্ষাৰ পৰিপন্থী।

আহমদীসকলে এই প্ৰথাৰ পৰা আঁতৰত থকা অত্যন্ত জৰুৰী।

আমাৰ ওপৰত হজৰত মছীহ মাওউদ (আঃ) আৰু খলিফাসকলৰ ডাঙৰ অৱদান যে তেখেতসকলে আমাক সত্য ইছলামৰ শিক্ষাৰ দ্বাৰা আমাক আলোকিত কৰিছে আৰু যি বেয়া প্ৰথাৰ অভ্যাস পৰিৱেশত মিলি গৈছে তাৰ পৰা আমাক বচাৰ সন্ধান দিছে।যদি আমি আজি প্ৰকৃত ইছলামৰ ওপৰত আমল (কৰ্ম) কৰি এই বেয়া প্ৰথাৰ পৰা আঁতৰত নাথাকো তেতিয়া আমি অসুবিধাত আৱদ্ধ হৈ যাম।

অৰ্থাৎ আজি প্ৰত্যেক আহমদীৰ ফৰজ যে বিয়াৰ সময়ত হোৱা বেয়া প্ৰথাৰ পৰা যেন আঁতৰত থাকে আৰু পৰিৱেশত যেন সংশোধন কৰোৱাৰ চেষ্টা কৰে। উদাহৰণস্বৰূপ,

১) মেন্দীৰ প্ৰথা।

২) বিয়াৰ সময়ত নাচ-গান কৰা সকলক মাতি আনা।

৩)খোৱা-লোৱাৰ ক্ষেত্ৰত অত্যন্ত খৰচ কৰা।

৪)জেহেজ( কোনো বস্তুৰ ডিমাণ্ড কৰা) আৰু বেয়া বস্তু প্ৰদৰ্শন কৰা।

৫) পৰদা ইত্যাদিৰ সঠিক ব্যৱস্থা নকৰা।

৬)গায়েৰ মহৰৰম মহিলাসকলৰ ফটো লোৱা আৰু ভিডিয়ো বনোৱা ইত্যাদি।

**মেন্দীৰ প্ৰথা**

হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ) য়ে কৈছে:

মেন্দীৰ এটা প্ৰথা আছে, বিয়াৰ সময়ত ইয়াৰ ওপৰত ইমান গুৰুত্ব দিয়ে যে ইয়াৰ বাবে নিমন্ত্ৰণ কৰা হয়,কাৰ্ড ছপোৱা হয়, ষ্টেজ বনোৱা হয়,কেৱল এয়াই নহয়,কেইবা দিনলৈ নিমন্ত্ৰণ চলি থাকে আৰু বিয়াৰ পূৰ্বৰে পৰা এয়া আৰম্ভ হয়। কেতিয়াবা কেই সপ্তাহ আগৰে পৰাই আৰম্ভ কৰে,আৰু প্ৰত্যেক দিন নতুন নতুন ষ্টেজ সজোৱা হয়।এনেকুৱা প্ৰথা যে সামৰ্থ নথকা জনেও এয়া কৰিবলৈ বাধ্য হয়।এতিয়া বহু আহমদী ঘৰতেও অযথা বেয়া প্ৰথাৰ ওপৰত আমল (কৰ্ম) কৰিব ধৰিছে।এতিয়া মই মুকলি ভাৱে কৈ আছোঁ যে এই বেয়া প্ৰথাৰ পৰা আঁতৰত থাকক আৰু সেয়া বন্ধ কৰক।(খুতবা জুমা ১৫ জানুৱাৰী ২০১০)

## বিয়াৰ সময়ত পেছাদাৰী গায়ক,আৰু নাচনি সকলক মাতি আনা

কেতিয়াবা আমাৰ দেশত বিয়াৰ সময়ত এনেকুৱা অশ্লীল আৰু বেয়া গান বজোৱা হয় সেয়া শুনি লজ্জিত হ'ব লাগে এনেকুৱা বেয়া বেয়া শব্দ ব্যৱহাৰ হয়,গম নাপাও মানুহ কেনেকৈ সেয়া শুনি থাকে,আকৌ ডান্চ, নাচ,ছোৱালী যি সৌন্দৰ্য্য লাগে তাতে

বা বিয়াৰ পিছত যেতিয়া ছোৱালীক ল'ৰাৰ ঘৰত লৈ যায় তাতেও এনেকুৱা অশুভনীয় নাচ-গান,মিউজিকত প্ৰিয় ৰিস্তেদাৰ সকলেও অংশ গ্ৰহণ কৰে।অৰ্থাৎ কোনোমতেই এইবিলাকৰ অনুমতি দিয়া নহয়। (খুতবা জুমা ২৫ নৱেম্বৰ ২০০৫)

## জাত-পাত

হজৰত মছীহ মাওউদ (আঃ) য়ে কৈছে:

আমাৰ জাতিত এয়াও এটা প্ৰথা আছে যে বেলেগ জাতিক ছোৱালী দিয়া অপছন্দ কৰে আৰু ছোৱালী লোৱাও অপছন্দ কৰে। এয়া নিশ্চিত ভাৱে অহঙ্কাৰ আৰু নিজৰ পছন্দনীয়তাৰ পদ্ধতি হয় যি চৰিয়তৰ নিৰ্দেশৰ বিৰোধ হয়। আদমৰ সন্তান-সন্ততি সকলোৱে খোদা তা'লাৰ ভৃত্য। ৰিস্তা কৰাৰ সময়ত এইটো দেখিব লাগে যে যাৰ লগত নিকা হ'ব তেওঁ নেক (পুণ্য) হয়নে নহয়,কোনো এনেকুৱা কামত লিপ্ত যেন নাথাকে, যাৰ ফলত ফিতনা(বিবাদ) সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে। মনত ৰখা উচিত যে ইছলাম কোনো জাতিয়তাৰ চৰ্তাৱলী ৰখা নাই কেৱল তাকৱা আৰু পুণ্যতাৰহে চৰ্তাৱলী ৰাখিছে আল্লাহ তা'লা কৈছে,

إِنَّ أَكْرَمَكُمْ عِنْدَ اللّٰهِ أَتْقٰكُمْ ط

(49:14)

**অৰ্থাৎ তোমাৰ মাজত আল্লাহ তা'লাৰ ওচৰত বেছি সন্মানজনক সেই জন যিজন বেছি মুত্তাকী(সত্যপৰায়ণ)।**

হজৰত মছীহ মাওউদ (আঃ)ৰ উল্লেখিত ইৰশ্বাদাতৰ পৰা প্ৰকাশ হয় যে ৰিস্তা কৰা সময়ত জাত-পাতৰ ফালে দেখিব নালাগে সদায় তাকৱাৰ ফালে লক্ষ্য ৰাখিব লাগে।

## ছুৰত (সৌন্দৰ্য্য) আৰু ছিৰত

ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আঃ) য়ে নিজৰ খোতবা জুমা ২৪ ডিচেম্বৰ ২০০৪ চনত পেৰিছ, ফ্ৰানছত কৈছে:

এই অভিযোগ সাধাৰণ হৈ গৈছে যে ছোৱালী নেক হয়,নম্ৰতা হয়,চৰিত্ৰবান হয়, লিখা-পঢ়া হয়,জমাতৰ কামত অংশগ্ৰহণো কৰে কিন্তু সৌন্দৰ্য্য কম আছে বা দেখা সকলৰ দৃষ্টিত ওখ সিহঁতৰ মতে নহয়। মানুহ আহে আৰু চাই কেনে গুচি যায়।

এই বিষয়ে আগতেও এবাৰ মনোযোগ আকৰ্ষণ কৰা হৈছে যে সৌন্দৰ্য্য আৰু ছুৰত আৰু ওখ ইমান নহয় এইবিলাক, ফটো আৰু সূচনাৰ দ্বাৰা জানিব পৰা যায়। ঘৰত গৈ

ছোৱালীক দেখা আৰু সিহঁতক আমনি কৰাৰ কি প্ৰয়োজন আছে ? এই কাৰণে এয়া আল্লাহ তা'লাৰ আদেশ যে সেইবিলাকক নেদেখিব, দ্বীনদাৰীৰ ফালে চাব।

এই কাৰণে হজৰত মহম্মদ (ছাঃ)য়ে কৈছে যে যদি নিজৰ বংশধৰক চম্ভালিব খোজে তেতিয়া দ্বীনদাৰৰ ফালে চাব।

যদি ছোৱালীসকলক দ্বীনদাৰীৰ ফালে চোৱা হয় তেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ দোৱাৰ অংশীদাৰ হ'ব আৰু নিজৰ বংশধৰকো ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত হোৱা দেখা পাব।

কিছুমান মানুহে ৰিস্তা কৰা সময়ত ছোৱালীসকলক এনেদৰে পৰীক্ষা-নিৰীক্ষা কৰি থাকে যেনেকুৱা কুৰবানীৰ ছাগলীবিলাকৰ কৰি থাকে। বিয়া এটা বন্ধন।এয়া দলৰ কুৰবানীৰ নাম নহয় অৰ্থাৎ উভয় দলৰ পৰস্পৰে পৰস্পৰৰ নিমিত্তে কৰা কুৰবানীৰ নাম।

হজৰত আব্দুল্লাহ বিন উমৰু বৰ্ণনা কৰিছে যে হজৰত মহম্মদ (ছাঃ) য়ে কৈছে যে পৃথিৱী জীৱিকাৰ বস্তু ,আৰু নেক (পুণ্যবান) মহিলাতকৈ অধিক জীৱনৰ বস্তু আৰু কি হ'ব পাৰে।( ইবনে মাজা, আবুৱাবুন নিকাহ  বাব আফজালুন নিছা)

অৰ্থাৎ সেইসকলৰ কাৰণে যিসকলে পাৰ্থিৱ জীৱনৰ বস্তু লৈ আনন্দিত থাকে সিহঁতৰ এই হাদীছ মনত ৰখা উচিত যে নেক (পুণ্যবান )মহিলাতকৈ অধিক পাৰ্থিৱ জীৱনৰ বস্তু তোমাৰ কাৰণে আৰু নাই।

নেক (পুণ্যবান) মহিলা তোমাৰ ঘৰখনকো চম্ভালী ল'ব আৰু তোমাৰ সন্তান সন্ততি সকলোকৰো  উন্নত ধৰণৰ নিৰীক্ষণ কৰি থাকিব।ফলাফল তুমি দ্বীন আৰু দুনিয়া আহৰণ কৰিব পাৰিবা।

## নিমন্ত্ৰণ আৰু অপব্যয়

বিয়া-বাৰুৰ অনুষ্ঠান সম্পৰ্কে ছৈয়দিনা হজৰত খলিফাতুল মছীহ ৰাবে(ৰহঃ)য়ে ১১ ফেব্ৰুৱাৰী ১৯৯৪ চনত এম.টি.এ. ত আলোচনাৰ মাধ্যমত আৰু আকৌ খোতবা জুমা ১৩ মে ১৯৯৪ চনত বিয়াৰ সময়ত নিমন্ত্ৰণ কৰা সকলক নিজৰ পৰিকল্পনা সম্পৰ্কে জনায়। আনন্দৰ সময়ত অতিথীসকলক আহাৰৰ ব্যৱস্থা কৰা চুন্নত হয় আৰু বিয়াৰ সময়ত আনন্দ প্ৰকাশ কৰা আৰু অতিথীসকলৰ নিমিত্তে সিহঁতক সন্মান কৰা সেই সময়ৰ এটা কাৰ্যকৰী ব্যৱস্থা হয় কিন্তু সেই সময়ত আল্লাহ তা'লাৰ ইৰশ্বাদ:
**কুলু ওৱাশ্বৰাবু ওৱা লা তাছৰিফু**ক লক্ষ্য ৰখা অতি আৱশ্যকীয়,ই ছ্ৰাফৰ

(সীমালঙ্ঘনৰ)পৰা আঁতৰত থকা অতি আৱশ্যকীয়।

আকৌ কৈছে: কোনো ঘটনাৱলীত অপব্যয় কৰা মানে বেয়া প্ৰথাৰ কাৰণে হৈ থাকে। ইছ্‌লামে ইয়াৰ অনুমতি নিদিয়ে এই কাৰণে বেয়া প্ৰথা যিবিলাক পৰিৱেশত সোমাই গৈছে তাৰ পৰা আঁতৰত থকা অতি প্ৰয়োজন। যেনেকুৱা, নাচ-গান কৰা ফিল্মৰ গান বিলাক শুনা ইত্যাদি ইত্যাদি।

বহুত ধনী মানুহ আমাৰ জমাতত এনেকুৱা আছে যিসকলে বিয়াৰ সময়ত বহুত ধৰণৰ অপ্ৰয়োজনীয় বস্তু ব্যৱহাৰ কৰি থাকে যাক দেখি ঘৃণা লাগে আৰু সেই সকল মানুহৰ ওপৰত দয়া উপজে যিসকলক হজৰত মছীহ্ মাওউদ (আঃ)য়ে অযথা কথাৰ পৰা আঁতৰাই পোহৰলৈ আনিছে,আৰু পৰস্পৰে আলোচনা কৰি এই কথা বিলাক পুনৰায় আলোচনা কৰিব লাগে।

অৰ্থাৎ কোৰাণ মজিদ কিছুমান ধন ব্যয় কৰাক লাভবান কোৱা নাই ক্ষতিকাৰকহে কৈছে। অপব্যয় কৰা সকলৰ বিষয়ে কৈছে যে, তেওঁ চয়তানৰ ভাই হয়। যিয়ে নিজৰ ৰিজক(খাদ্য)নষ্ট কৰিব ধৰে,আৰু যিদৰে বিয়াৰ অনুষ্ঠান কৰে তাৰ মস্তিষ্কৰ দ্বাৰা অনুমান হয় যে তেওঁ আহমদীয়তৰ পৰা আঁতৰ হৈ গৈছে। এই কাৰণে সিহঁতক নম্ৰতাৰ সৈতে শিক্ষা দিয়া আৰু বুজোৱা আমাৰ সকলোৰে ওপৰত ফৰজ হয়। আমাৰ প্ৰতীক ডাঙৰ হয়।গতিকে খৰচ এটা সীমাৰ ভিতৰত ৰাখি আনন্দৰ অনুষ্ঠান কৰা উচিত।

আকৌ কৈছে: নিজৰ পৰিৱেশত এইটো অনুতাপ সৃষ্টি কৰা দৰকাৰ যে যদি আমি বেছি খৰচ কৰাৰ তৌফিক ৰাখো,তেতিয়া বেলেগৰ ছোৱালীৰ বিয়াত খৰচ কৰা দৰকাৰ এই কাৰণে ধনী মানুহবিলাকৰ উচিত যে সিহঁতে নিজৰ প্ৰত্যেক বিয়াৰ অনুষ্ঠানৰ সময়ত এক অংশ অৰ্থাৎ দহ ভাগৰ এভাগ এই উদ্দেশ্যত গোপন বাবে জমাতৰ UNDER (অধীনত)ত কৰি দিয়ক যে দুখীয়া ছোৱালীসকলৰ বিয়াত এই টকা খৰচ কৰিব, আৰু সিহঁতৰ বিয়াত নিজৰ পৰিস্থিতি অনুযায়ী নিমন্ত্ৰণৰ ব্যৱস্থা কৰিব। ইয়াৰ দ্বাৰা পৰস্পৰে পৰস্পৰৰ প্ৰতি প্ৰেম ভালপোৱা বৃদ্ধি পাব,আৰু ধনী দুখীয়াৰ পাৰ্থক্য নাথাকি ওচৰীয়া সম্বন্ধ হৈ পৰিব,আৰু এজনে আনজনৰ প্ৰতিপ্ৰেমৰ উদয় হৈ অন্তৰঙ্গ হৈ পৰিব।

**মুতাবান্না (লালন-পালন কৰা ল'ৰা-ছোৱালী) সম্পৰ্কে ইৰশ্বাদাতঃ**

মুতাবান্না অৰ্থাৎ লালন-পালন কৰা ল'ৰা-ছোৱালী সম্পৰ্কে নিম্ন লিখিত হিদায়তৰ ওপৰত আমল কৰা জৰুৰী:

আল্লাহ তা'লা কুৰআন মজিদত কৈছে,

(33:5) وَمَا جَعَلَ اَدْعِيَآءَكُمْ اَبْنَآءَكُمْ

অৰ্থঃ-আৰু তোমালোকে তুলি লোৱা পুত্ৰসকলকো তেওঁ প্ৰকৃত পক্ষে তোমালোকৰ পুত্ৰ কৰা নাই।

আল্লাহ তা'লাৰ এই ইৰশ্বাদৰ পৰা এই কথা প্ৰকাশ পায় যে পালিত ল'ৰা-ছোৱালীক ঔৰসজাত সন্তান বুলি ক'ব নোৱাৰি। অৰ্থাৎ নিকা ফৰ্ম পূৰ্ণ কৰা সময়ত এই কথা মনত ৰখা উচিত যে তেওঁৰ আচল দেউতাৰ নাম উল্লেখ কৰিব। কেতিয়াবা সম্বন্ধ থকা সকলে স্বীকৃতি দিয়ে যে পালিবলৈ আনা সকলৰ নাম ৰেজিষ্ট্ৰাৰ কৰা হওক,যি চৰিয়ত মতে গ্ৰহণযোগ্য নহয়। অৰ্থাৎ এনেকুৱা ব্যক্তি যিসকলে পালিবলৈ অনা ল'ৰা-ছোৱালীৰ আচল দেউতাৰ নাম চৰকাৰী বা চৰকাৰৰ বাহিৰৰ কাগজত লিখিব। তেতিয়া তেওঁলোকে কোনো সময়ত সমস্যাৰ সন্মুখীন নহ'ব।

## বিধৱাসকলৰ নিকা

ছৈয়দিনা হজৰত মছীহ মাওউদ (আঃ) য়ে কৈছে: বিধৱা সকলৰ নিকাৰ আদেশ এই ধৰণৰ যেনেকুৱা যুৱতীসকলৰ নিকাৰ আদেশ হয়। অৰ্থাৎ কিছুমান জাত-পাতে বিধৱা মহিলাসকলৰ বিয়া সন্মানৰ হানি বুলি ভাৱে আৰু এই বেয়া প্ৰথা বহুত বেছি বিয়পি পৰিছে। এই কাৰণেই বিধৱাসকলৰ নিকাৰ কাৰণে আদেশ হৈছে। এইটোৰ এয়া অৰ্থ নহয় যে প্ৰত্যেক বিধৱা মহিলাসকলৰ নিকা কৰোৱা হওক। নিকা সেইজনীৰ হে হ'ব যিজনী নিকাৰ যোগ্যতা ৰাখে, আৰু যাৰ কাৰণে নিকা জৰুৰী হয়। (মলফুজাত জিলদ পঞ্চম পৃঃ ৩২০)।

অৰ্থাৎ আহমদীসকলৰ ফৰজ হয় যে উল্লেখিত ইৰশ্বাদাত
ৰিস্তা সম্পৰ্কে জমাতৰ হিদায়তৰ ফালে লক্ষ্য ৰখা উচিত আৰু জমাতৰ দায়িত্ববান সকলৰ ফৰজ হয় যে সিহঁতে জমাতক হজৰত মছীহ মাওউদ (আঃ)ৰ শিক্ষাৰ ফালে আকৃষ্ট যেন কৰে,এয়া কৰা সত্বেও যদি কোনোবা তাক বাধ্যতামূলক নাভাৱে তেতিয়া তাৰ খবৰ অতি সোনকালে মৰকজলৈ দিব, আৰু এনেকুৱা বিয়াত কেতিয়াও অংশ গ্ৰহণ নকৰিব আৰু আমাৰ চেষ্টা-প্ৰচেষ্টা যে আহমদী ল'ৰা-ছোৱালীৰ নিকা যেন আহমদীৰ ভিতৰতেই হয়, যাতে আমাৰ বংশধৰ এই অনুগ্ৰহৰ লগত সংলগ্ন হৈ থাকিব পাৰে যি

যুগৰ ইমামৰ হাতত বয়াত কৰাৰ ফলত অৰ্জন হয়।

আল্লাহ তা'লা আমাক এই ইৰশ্বাদাতৰ ওপৰত মন প্ৰাণৰ সৈতে আমল কৰাৰ তৌফিক দান কৰক। আমিন-

# Notes For Premarital Counselling

*(Directions given by Hazrat Khalifatul Masih V$^{th}$)*

(in Assamese)